# The EDUCARE 2018-19

The Annual House Bulletin of Education Department, S. B. Deorah College, Guwahati


*"Education is the natural, harmonious and progressive development of man's innate powers." - Pestalozzi*

***In this Issue :***


Editorial

ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত ইণ্টাৰনেটৰ ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱ

সুপৰ্ণা কলিতা

স্নাতক ষষ্ঠ ষাণ্মাষিক (সন্মান)

Departmental Activities

Result and Achievement Batch of 2018-2019


**Faculty Members of Education Department**

Smt. Ajanta Saikia, Head of the Department
Dr. Bandana Baishya, Associate Professor
Dr. Rumamani Deka, Associate Professor
Mr. Sajidur Rahman, Assistant Professor

# Editorial

## Student Teacher relationship

*In educational institution, the relationship between student and teacher is very important. In the present context it is very difficult to establish the close relationship between teacher and taught. There are some factors which can influence on establishment of this relationship such as quality on academic achievement, student psychological adjustment and the class room environment. A strong and positive connection between students and teachers fosters a supportive learning environment, enhances academic achievement, and contributes to the overall personal development of students. Building trust is the foundation of a successful student-teacher relationship. students who have a strong bond with their teachers perceive them as supportive figures. Teachers provide guidance and encouragement, instilling a sense of confidence in their students' abilities. Students are more inclined to seek help when they face challenges or difficulties, knowing that their teachers are approachable and willing to assist them. A supportive teacher-student relationship can greatly contribute to students' emotional well-being and resilience. The impact of a student-teacher relationship extends beyond academic pursuits. Teachers play a crucial role in shaping the character and values of their students. Through positive interactions, teachers can serve as role models, imparting essential life skills, such as empathy, communication, and problem-solving. Strong student-teacher relationship can positively impact students' social development. A supportive teacher can actively create opportunities for students to engage with one another, fostering teamwork and cooperative learning.*

*By nurturing a sense of belonging, the teachers can help the students.*

*Smt. Ajanta Saikia*

# ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত
# ইণ্টাৰনেটৰ ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱ

সুপৰ্ণা কলিতা
স্নাতক ষষ্ঠ ষান্মাষিক (সন্মান)

শিক্ষা প্ৰযুক্তিবিজ্ঞান হৈছে শিক্ষাৰ বিজ্ঞান সন্মক জ্ঞান সমূহৰ বাস্তৱৰ শিক্ষাদান পৰিস্থিতিত প্ৰয়োগকৰণৰ ব্যৱস্থা। আধুনিক শিক্ষা আৰু প্ৰশিক্ষণৰ বাবে প্ৰয়োজন হোৱা বিক্ৰিয়া পটুতা আৰু ক্ৰিয়া কুশলতা প্ৰয়োগকৰণৰ লগত শিক্ষা প্ৰযুক্তিবিজ্ঞান সম্বন্ধযুক্ত। শিক্ষাৰ ব্যৱহৃত এই প্ৰযুক্তিবিজ্ঞানে বৈদ্যুতিক যান্ত্ৰিক নীতি আৰু কৌশলৰ প্ৰয়োগ প্ৰক্ৰিয়াৰে এক আমূল পৰিৱৰ্তন সাধন কৰিছে। এনে প্ৰযুক্তি বিজ্ঞানে শিক্ষক আৰু শিক্ষাৰ্থীক অধিক ক্ষিপ্ৰতাৰে আৰু কাৰ্যকৰীভাৱে শিক্ষণ প্ৰক্ৰিয়াক পৰিচালনা কৰাত সুযোগ প্ৰদান কৰিছে। এনে প্ৰযুক্তি বিজ্ঞানৰ ব্যৱহাৰে জ্ঞানৰ সংৰক্ষণ প্ৰেৰণ আৰু বিকাশৰ বাবে বহুলভাৱে সহায় কৰে। এনে প্ৰযুক্তি সমূহৰ ব্যৱহাৰে শিক্ষাৰ প্ৰাপ্তি, উপযোগিতা, মিতব্যয়িতা, সূচলতা আৰু বিক্ৰিয়া পটুতা স্বৰূপে গঢ়ি তোলে। বৰ্তমান শিক্ষা প্ৰযুক্তিৰ প্ৰয়োগে মানৱীয় আৰু মানৱবিহীন দুটা দিশৰ মাজত সমন্বয় স্থাপন কৰি শিক্ষাক বিজ্ঞানসন্মতভাৱে প্ৰণালীবদ্ধ কৰি তুলিছে। শিক্ষা বিষয়ৰ তত্বনীতি, আদৰ্শ আদিৰ পৰীক্ষাভিত্তিক প্ৰমাণভিত্তিক ভাৱে গ্ৰহণযোগ্য কৰি তুলিবলৈ শিক্ষা সঁজুলিৰ নতুন উদ্ভাৱন আৰু কৌশল পদ্ধতি প্ৰয়োগ কৰি আকৰ্ষণীয় কৰাটো শিক্ষা প্ৰযুক্তিৰ অন্যতম উদ্দেশ্য শিক্ষাত প্ৰযুক্তি বিজ্ঞানৰ ব্যৱহাৰৰ দ্বাৰা শিকণ প্ৰক্ৰিয়া আৰু ইয়াৰ লগত জড়িত আধুনিক ধ্যাণ ধাৰণাৰে শিকণ পদ্ধতি সম্পাদন কৰিব পাৰি।

বৰ্তমান শিক্ষাত প্ৰযুক্তিবিজ্ঞানৰ ব্যৱহাৰ বুলিলে ইণ্টাৰনেটৰ ব্যৱহাৰ আৰু গুৰুত্ব অপৰিহাৰ্য বুলি ক'ব পাৰি। ইণ্টাৰনেটৰ অবিহনে বৰ্তমান সময়ত শিক্ষাৰ বিকাশ আশা কৰিব নোৱাৰি। পৃথিৱীৰ সকলো কম্পিউটাৰৰ মাজত যোগাযোগ স্থাপন কৰিবৰ বাবে ইণ্টাৰনেট হৈছে এক জাল সদৃশ বৈদ্যুতিক ব্যৱস্থা। পৃথিৱীৰ কম্পিউটাৰবোৰৰ তথ্য সৰবৰাহ আৰু যোগাযোগৰ বাবে অন্য মাধ্যমৰ যোগেদি সংযোগ কৰা ব্যৱস্থাটোৱে হ'ল কম্পিউটাৰ নেটৱৰ্ক। এইদৰে অসংখ্য কম্পিউটাৰ লগ লগাই দিয়া হয় তেনেহলে কম্পিউটাৰ সন্মিলিত হৈ এক বিশাল তথ্য ভাণ্ডাৰ হ'ব। কম্পিউটাৰৰ নেটৱৰ্কৰ লগত আন বহুতো নেটৱৰ্ক সংযোগ কৰা ব্যৱস্থাটোৱে হ'ল ইণ্টাৰনেট। শিক্ষাৰ লগত জড়িত সকলোবোৰ ব্যক্তিকে ইণ্টাৰনেটে সহায় কৰা দেখা যায়। ইণ্টাৰনেটে ছাত্ৰ-চাত্ৰীক আত্ম অধ্যয়ণ কৰিবলৈ উৎসাহিত কৰে। ইণ্টাৰনেটৰ সহায়ত সক্ৰিয় অৱস্থাত থকা পৃথিৱীৰ সকলোবোৰ কম্পিউটাৰৰ মাজত যোগাযোগ স্থাপন কৰিব পৰা যায়। ইণ্টাৰনেটৰ কোনো সীমা নাই। ইয়াৰ সহায়ত বিশ্বায়ণৰ ধাৰণা অতি সহজে সফল ৰ্কৰি তুলিব পৰা যায়। ইণ্টাৰনেট হৈছে বিশ্বৰ দ্ৰুততম যোগাযোগ ব্যৱস্থা তৎক্ষণাতে পৃথিৱীৰ যিকোনো স্থাপনত থকা এগৰাকী ব্যক্তিৰ লগত সংযোগ স্থাপন কৰিব পাৰে।

শিক্ষাত ইণ্টাৰনেটৰ ব্যৱহাৰ এক অতি তাৎপৰ্যপূৰ্ণ বিষয়।

ইণ্টাৰনেটৰ যোগেদি শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন শিক্ষা সম্পন্ধীয় তথ্য সংগ্ৰহ কৰিব পাৰে, সংৰক্ষণ কৰিব পাৰে আৰু তথ্যবোৰ বিশ্লেষণো কৰিব পাৰে। ইণ্টাৰনেটে ছাত্ৰ-ছাত্ৰীসকলক আত্ম অধ্যয়ণ কৰিবলৈ উৎসাহিত কৰে। ইণ্টাৰনেটে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ বিপৰীতে আত্ম প্ৰচেষ্টা আত্ম অনুসন্ধান, নতুনত্বৰ উদ্ভাৱণ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইণ্টাৰনেটৰ যোগাযোগ ব্যৱস্থাৰ সময়ত এখন বিশ্ববিদ্যালয়ে আন এখন বিশ্ববিদ্যালয়ৰ লগত সম্বন্ধ স্থাপন কৰিব পাৰে। মানুহৰ ক্ৰমবৰ্দ্ধিত চাহিদা ইণ্টাৰনেটৰ সহায়ত দূৰ শিক্ষাই পূৰণ কৰিব পাৰে। ইণ্টাৰনেটৰ সহায়েৰে দূৰ শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্ত্তি কৰিব পাৰে। স্ব-অধ্যয়ণৰ সামগ্ৰী লাভ কৰিব পাৰে। ইণ্টাৰনেটে অগতানুগতিক শিক্ষা বিস্তাৰৰ পৰিসৰ বৃদ্ধি কৰি তুলিছে।

ইণ্টাৰনেটৰ সহায় অবিহনে বৰ্তমান সময়ত উচ্চ শিক্ষাৰ গৱেষণা তথা অধ্যয়ণ সম্ভৱ নহয়। সমগ্ৰ পৃথিৱীৰ পণ্ডিত আৰু বিশেষজ্ঞ লোকসকলৰ লগত যোগাযোগ স্থাপন কৰাৰ ক্ষেত্ৰত ইণ্টাৰনেটে সহায় কৰে। ইণ্টাৰনেট অবিহনে শিক্ষাকাৰ্য গৱেষণা আদি অধিক কষ্টসাধ্য, ব্যয়বহুল আৰু সময় সাপেক্ষ হোৱা দেখা যায়।

ইণ্টাৰনেটৰ বিভিন্ন ধৰণৰ যোগাত্মক দিশ আচে, ইয়াৰ দ্বাৰা শিক্ষা ক্ষেত্ৰত এক বহুল উন্নতি সাধন হৈছে যদিও ইয়াৰ কিছুমান ঋণাত্মক প্ৰভাৱ শিক্ষাক্ষেত্ৰ অথবা ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰাও দেখা যায়।

ইণ্টাৰনেটৰ দ্বাৰা যিকোনো শিক্ষাগত তথ্য সহজে উপলব্ধ হোৱা বাবে ছাত্ৰ-ছাত্ৰীসকল অসক্ৰিয় হৈ পৰে যাৰ ফলত শিক্ষাৰ্থীসকল যিকোনো সমস্যাৰ সন্মুখীন হোৱাত অসমৰ্থ হৈ পৰে।

শিক্ষাৰ ক্ষেত্ৰত ইণ্টাৰনেটৰ ব্যৱহাৰে শিক্ষাৰ্থীৰ মনোযোগৰ বিভাজনৰ কাৰণ হোৱাও দেখা যায়, যিহেতু ইণ্টাৰনেটত বিভিন্ন ধৰণৰ মনোৰঞ্জন উপলব্ধ থাকে।

অতিমাত্ৰা ইণ্টাৰনেটৰ ব্যৱহাৰে শিক্ষাৰ্থীক ইণ্টাৰনেটৰ আসক্ত কৰি শিক্ষাৰ পথত কিছুমান বাধাৰ সৃষ্টি কৰিব পাৰে অৰ্থাৎ ইণ্টাৰনেটৰ অত্যাধিক ব্যৱহাৰে কিছুক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে।

শিক্ষাৰ প্ৰযুক্তি জ্ঞানৰ ব্যৱহাৰে শিক্ষা আৰু শিকণ ব্যৱস্থা অধিক ফলপ্ৰসূ কৰি তোলে।

ইণ্টাৰনেটৰ ব্যৱহাৰ বৰ্তমান শিক্ষা ক্ষেত্ৰত এক অপৰিহাৰ্য অংশ হৈ পৰিছে। ইয়াৰ ফলত শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকল বিভিন্ন ধৰণে লাভাবান্বিত হৈছে। ইণ্টাৰনেটে শিক্ষাৰ্থী সকলৰ ওপৰত যোগাত্মক প্ৰভাৱ পেলাই যদিও ইয়াৰ কিছুমান ঋণাত্মক প্ৰভাৱ আমি আওকাণ কৰিব নোৱাৰো।

ইণ্টাৰনেটৰ কোনো সীমা নাই। ইয়াৰ দ্বাৰা বিশ্বায়ণৰ ধাৰণা সফল কৰি তুলিব পৰা যায়। ইয়াৰ দ্বাৰা পৰম্পৰাগত শিক্ষা ব্যৱস্থাতে পৰিৱৰ্তন দেখা পোৱা গৈছে। ইণ্টাৰনেটে শিক্ষাৰ্থীক আত্ম-অধ্যয়ণ কৰিবলৈ উৎসাহিত কৰে। শিক্ষাক্ষেত্ৰত ক্ৰমবৰ্দ্ধমান চাহিদাসমূহ ইণ্টাৰনেটে দূৰ কৰিব পাৰে।

সকলো বস্তুৰে ভাল-বেয়া দুয়োটা গুণে থাকে। বেয়াটো পৰিহাৰ কৰি ভালটো আয়ত্ত কৰাটো এক কৌশল গতিকে ইণ্টাৰনেটৰ ভালৰ লগতে বেয়া দিশো আছে। গতিকে ভাল শিক্ষা সমূহ আয়ত্ব কৰিব পৰাকৈ কৌশলসমূহ শিক্ষকৰ সহায়ত শিক্ষাৰ্থীৰ ওপৰত পৰা ঋণাত্মক প্ৰভাৱ তথা ধনাত্মক প্ৰভাৱৰ বিষয়ে অৱগত কৰাই ইণ্টাৰনেটৰ সুবিধাসমূহৰ লাভ লৈ ঋণাত্মক প্ৰভাৱসমূহৰ পৰা হাত সাৰিবলৈ শিকাব লাগে।

সহায়ক গ্ৰন্থ ঃ
ড° ফুনু দাস শৰ্মা, ড° উৎপল কলিতা 'শৈক্ষিক প্ৰযুক্তি বিজ্ঞান'

## A Field Trip to Tezpur




A departmental Field Trip to Tezpur is organised on 13th March, 2018 by the department of Education. All the major Students of the department join in the trip. The trip is accompanied by Dr. Runamoni Deka, Mr. Safidur Rahman, Asstt. Professor and Mr. Prakash Dutta, Part time lecturer of the department. The students visit Agnigarh and Chitralekha Udyan or Cole Park. The students also visit Tezpur University.

## Street Play

A street Play is organised by the department of Education on the occasion of world environment Day which is celebrated on 5th June, 2018. The main objective of organising the street play is to bring awareness awaken of environment among the students. Rana Das a student of 6th Semester the leading role in the play. The play is performed in the play ground of Ulubari Higher Secondary School, a nearby school of the college. All the students of the college as well as the school enjoy the play.

## Motivational Programme

A motivational programme is organised on 1st October, 2018. Mr. Bikash Kalita, the resource person of the programme speaks on the development of the skill among the students which is relevant in the present context. All the major student participate in the programme actively. Dr. Anjali Patowary, Co-ordinator of IQAC presides over the meeting. All the faculty members of the department are present in the programme Dr. Bandana Baishya, Associate professor of the department offers vote of thanks.




An Alumni Meet was held on 15.6. 23 by the Department of Education .Most of the alumni attended the meeting . All the faculty members were also present there . A Departmental Alumni Committee was formed with Dr. Rumamani Deka , Senior Faculty as Treasurer and two alumni as President and Secretary.

# Result and Achievement Batch of 2018-2019

Students appeared : 08
Ist Class : 04 , 2nd Class : 04



Dharitri Rajbangshi



Jitumoni Talukdar



Rana Das



Suparna Kalita

THE EDUCARE is an Annual House Bulletin of Education Department of S.B. Deorah College published by Education Department, S.B. Deorah College, Ulubari, Guwahati-781007 and Printed at Arindam Offset & Imaging Systems, Rajgarh Road, Guwahat-3
**Editor : Smt. Ajanta Saikia, Associate Professor, Education Department.**